কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত বিষুৱা উৎসৱঃ এক বিশ্লেষানাত্মক অধ্যায়ন।

ইং ২০২১-২০২২ শিক্ষাবর্ষ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক ষষ্ঠ ষান্মাষিকৰ অসমীয়া বিভাগৰ বাবে প্রস্তুত কৰা ক্ষুদ্র গবেষনা গ্রন্থ

তত্ত্বাৱধায়কঃ
মাননীয় শ্রীযুত ভগীৰথ ৰায়
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

বীৰঝৰা কন্যা মহাবিদ্যালয়
বঙাইগাওঁ

গৱেষকঃ
শ্রী ভন্টি ৰায়
স্নাতক ষষ্ঠ ষান্মাষিক
ৰোল - UA-191-269
নং - 0164
অসমীয়া মুখ্য বিষয়
বীৰঝৰা কন্যা মহাবিদ্যালয়
বঙাইগাওঁ

সূচীপত্র

ক্রমিক নং		পৃষ্ঠা
১।	অবতরণিকা	১
২।	প্রথম অধ্যায় : কোচবাজবাংশী সকলব নবিচয়।	২-৮
৩।	দ্বিতীয় অধ্যায় : কোচ বাজবাংশী সকলব জাতিয় জ্যসব বিষুবা সম্পর্কে আলোচনা।	৯-২০
৪।	তৃতীয় অধ্যায় : কোচ বাজবাংশী সকলব লোক সাংস্কৃতি।	২১-২৯
৫।	চিত্রসূচী	৩০-৩১
৬।	উপসংহাব	৩২-৩৩
৭।	গ্রন্থপঞ্জী-	৩৪

সাব্যস্তকরণ

মুই ভর্তি বাস্, বীরমাতা কন্যা মহাবিদ্যালয়ের স্নাতক-স্নাতকোত্তর ছাত্রী; রোল: UA-191-269, নং: 0164। মুই সাব্যস্ত করোঁ যে শিরোনামের "কোচ-রাজবংশী সকলের মাজত প্রচলিত বিয়ুরা উৎসব: এক বিশ্লেষাত্মক অধ্যয়ন। (বক্সাইগাঁও জিলার উল্লেখসহ)" শীর্ষক বিষয়টো লৈ মুই আমার মহাবিদ্যালয়ের অসমীয়া বিভাগের সহকারী অধ্যাপক মাননীয় শ্রীযুক্ত জ্যোতিষ বাস্ ছারের তত্ত্বাবধানত গবেষনা কার্যটো সম্পন্ন করিছোঁ।

দিনাংক: ২২-০৬-২০২২

শ্রী ভর্তি বাস্।

কৃতজ্ঞতা স্বীকাৰ

স্নাতক ষষ্ঠ ষান্মাষিকৰ অসমীয়া প্ৰাধান্য পাঠ্যক্ৰমৰ অংশ হিচাপে প্ৰস্তুত কৰিবলগীয়া ক্ষুদ্ৰ গবেষণা গ্ৰন্থখনিৰ আৰম্ভনিৰ পৰা শেষলৈকে মোক বিভিন্ন দিহা-পৰামৰ্শৰে সহায় কৰা তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত ভগীৰথ ৰায় ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মই লেখনি প্ৰস্তুত কৰোঁতে মোক যথেষ্ট সহায় সহযোগ আৰু উৎসাহ যোগোৱা মোৰ পৰম পূজনীয় মা আৰু মোৰ প্ৰিয় বান্ধৱী দুজনীক আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

দিনাংক :- ২১-০৬-২০২২ শ্ৰীভন্টি ৰায়।

অবতৰণিকা

জনজাতিয় ভাষা সাহিত্য - সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা দিলে দিলে বৃদ্ধি পাই অথৰ পৰিপেক্ষিতত সামগ্ৰিক কালত ইয়াৰ চিন্তা - চৰ্চাই এক বিশেষ গুৰুত্ব লাভ কৰি অহা পৰিলক্ষিত হৈছে।

কিন্তু অসমত এলে চেষ্টেৰাই এতিয়াই গা কৰি উঠিব পৰা নাই। সেই অভাব পূৰণৰ অৰ্থে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক-স্নাতকোত্তৰ পাঠ্যক্ৰমত এখনি মৰ গবেষণা গ্ৰন্থ লিখাৰ ব্যবস্থা অন্তৰ্ভুক্ত কৰা হয়। সেয়ে এই গবেষণা গ্ৰন্থখনি লিখাৰ উদ্দেশ্য "কোচ বাজবংশীসকলৰ সমাজত প্ৰচলিত বিষ্ণুৰা উৎসৱ: এক বিশ্লেষণাত্মক অধ্যয়ন।" বিষয়টো বাছি লওঁ। ইয়াত বাজবংশী-সকলৰ পৰিসৰৰ লগতে বাজবংশী সকলৰ লোক - সংস্কৃতি সম্পৰ্কে সম্যক আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

এই গবেষণা গ্ৰন্থখনিৰ পৰা কিছু হ'লেও কোচবাজবংশী সকলৰ পৰিচয়, কোচবাজবংশী সকলৰ সমাজত প্ৰচলিত বিষ্ণুৰা উৎসৱ আৰু কোচ বাজবংশী সকলৰ লোক - সংস্কৃতি সম্পৰ্কে জানিবলৈ বা অৱগত হ'বলৈ সুবিধা হ'ব বুলি আশা কৰোঁ।

প্রথম অধ্যায়

কোচ রাজবংশীয়কলোর পরিচয়

যেকোনোর মতে রাজবংশী শব্দটোর অসমীয়া আভিধানিক অর্থ হল - 'কোচ' আরু 'কোচ' অসমীয়া হিন্দুর এটা জাতি। আরু 'রাজবংশী' (সং রাজন: রজা বংশ) কোনো এক আদি পুরুষর সন্তান -সন্ততি, রজার বংশর লোক, অসমর এক বিশেষ জনগোষ্ঠী।

'কোচ রাজবংশী' সম্পর্কত বিভিন্ন পণ্ডিতর ভিন ভিন মত পোরা যায়। ১৬৬ খ্রী: ব দিনাজ পুরর বান গড় শিলালিপির গৌড়র 'কম্বোজ' জাতির এজন রজাই দিনাজ পুরত এটা শিব মন্দির নির্মাণর বর্ণনা পোরা যায় - 'কম্বোজ - নৃপা - গৌড় পতি'।

বরদাপ্রসাদ চন্দর মতে এই 'কম্বোজ' শব্দই সময়র সেই সময়র কোচসকলোক বুজায়। এই প্রসঙ্গত সুনীতি কুমার চট্টোপাধ্যায়ে "কিরাত জন-কৃতি" ত উল্লেখ করে যে সাম্প্রতিক কালত ব্যবহৃত 'কোচ' বা 'কছ' ৮ মধ্য ভারতীয় আর্য ভাষার 'কবৌক্ক' লিখিত 'কোচ' শব্দটোর সংস্কৃত 'কম্বোজ' হৈছে।

আনহাতে 'কোচ' শব্দটোর সংস্কৃত রূপ 'কুবাচ' (কু - ভাষা/ বেয়া কথা কওঁতা জন বা কু বচন বা বেয়া ভাষা কওঁতা জন) পদ্মা দি লিখিমিছলি —

"সব-ভক্ষ্য-ৰতা সুধা স্লেচ্ছা গো-ব্ৰাহ্মণ-মাতব্য: কুবাচক: পৰে স্লেচ্ছা: এতে কুতো সোনয়: তেষাম্ পৈশাচিকী ভাষা, লোকাচাৰো ন বিদ্যাতে।" — পদ্ম পুৰাণ, সৃষ্টি খণ্ড অধ্যায় ৬৭

অৰ্থাৎ "এই স্লেচ্ছ বা অসভ্য সকলোৰ সকলো ভক্ষণ কৰা অভ্যাস আছিল, তেওঁ লোক নিৰ্বোধ তথা গৰু আৰু ব্ৰাহ্মণক হত্যা কৰে, সিঁহতৰ অনান্যা স্লেচ্ছ সকলে বেয়া ভাষা কয়, তেওঁলোকৰ জন্মস্থান পাহাৰত। তেওঁলোকৰ পৈশাচী (অশুভ) ভাষা, তেওঁলোকৰ (ভদ্ৰ) সামাজিকতা নাই।"

এই ছেগতে কনকলাল বৰুৱাই মত দাঙি ধৰে যে 'স্লেচ্ছ' শব্দটোৰে সংস্কৃতায়ণ ৰূপ হ'ল মেচ।[৪]

গেইট আৰু চেটাৰ্জীয়ে কনকলালক বৰুৱাৰ এই অভিমত সমৰ্থন কৰে। 'কোচ' আৰু 'মেচ' সকল একে পৰিয়ালৰ সদস্য আছিল।

যোগিনীতন্ত্ৰত আকৌ 'কোষ' নামৰ দেশৰ উল্লেখ পোৱা যায়। 'ইণ্ডিকা' গ্ৰন্থৰ প্লিনিয়ে লিখা অংশত হিমাল অঞ্চলৰ 'কসিৰী' (Cosyri) জাতিৰ বাস থকাৰ কথা উল্লেখ আছে। "ব্ৰহ্মবৈৱৰ্ত পুৰাণ" দেৱী মিশ্ৰৰ "মেলবিধি গ্ৰন্থ"তো 'কোচ' জাতিৰ নাম আনফালে ধ্ৰুবানন্দ মিশ্ৰ 'কুল কাৰিকা'ত 'কোচ' দেশৰ নাম আছে। অধিকাংশ ভাৰতীয় মুছলমান ঐতিহাসিক গ্ৰন্থতে কোচ জাতিৰ নাম পোৱা যায়।[৪]

বদেন পাওবেলৰ মতেও 'মেচ, কোচ আৰু কছাৰী সকল এক জনজাতিৰ বিভিন্ন ভাগ। তেওঁ কয় যিসকল কছাৰীয়ে গোড়া হিন্দু ধৰ্ম

চুমন কবিছে তেওঁলোকে পুখক ভাবে বুজাবলৈ কোচ বুলি কৈছিল।"

এনেদবে 'কোচ' আৰু 'বাজবংশী'ৰ জ্যস সম্পর্কে ভিন্ন মত পোৱা যায়। বিভিন্ন তথ্য আৰু যুক্তি নিষ্ঠতা উক্তিবে প্রতিপন্ন হয় যে কোচবাজবংশী সবাল হ'ল উত্তৰ-পুব ভাবতব অতি প্রাচীন জনগোষ্ঠী। এওঁলোক মঙ্গোলীয় মঙ্গোলীয় জনগোষ্ঠীব। [illegible] অন্তর্ভুক্ত। বিভিন্ন গবেষক পণ্ডিত, শিলালিপি, তাম্রলিপি, প্রাচীন পুবণি পুথিৰ বিভিন্ন তথ্যই কোচ-বাজবংশী জনগোষ্ঠীব প্রাচীনত্বব স্বীকৃতি বহন কবে। খ্রীষ্টপূর্ব জন্মব বহুকাল পূবেই ভোটচীন অঞ্চলকলে তিব্বতব পবা উত্তৰ-পূব ভাবতৰ মঙ্গোলীয় সংস্কৃতিয়ে প্রভাব বিস্তাব কবিছিল।"

"সাম্প্রতিক কালত বহুসংখ্যক গবেষক কোচসকলোক মূলতঃ মঙ্গোলীয় জনগোষ্ঠী বুলি অভিহিত কবি তেঁলোকৰ বাসস্থান হিমালয় অঞ্চলত আছিল বুলি চাবিব কবে। খুব সম্ভৱ তেওঁলোক তিব্বতব পবা তিস্তা আৰু বৰ্লা নদী সোঁদি ভাবতলৈ আহিছিল। তেঁলোক সমাজত উত্তৰ বঙ্গত ব্যাপ্তি কবিবলৈ লিছিল। তাৰ পিছত লাহে লাহে পূব দক্ষিণ আৰু পশ্চিমৰ ফালে আগুবাই। দ্রাবিড় গকলোৰ লগতো মিশ্রণ হয়।"

"সাম্প্রতিক কালত বিদ্বানসকল গবেষক অভিমত প্রকাশ কবে- যে বৌদ্ধৰ সময়ত বাজবংশী সমাজ বৌদ্ধ ধর্মৰ দ্বাবা প্রভাবিত হৈছিল, সেইবাবে পবৰ্বতী সময়ৰ বাজবংশী সমাজৰ বৌদ্ধধর্মৰ প্রভাবিত লোকআচাৰ দেখা হয়।"

8

গেইটৰ মতে 'কোচ' শব্দটো দুটা অর্থত ব্যৱহাৰ হয়। অসমত কোচ বুলিলে হিন্দু বণাৰ কোৱৰ্ক বুজায়। কছাৰী, লালুং, মিকিৰক আদিকৰি হিন্দু ধৰ্মত দীক্ষিত হোৱা বিভিন্ন জনজাতীয় লোকক সোৱাতে কোচ ৰোলা হয়।[১০]

গ্ৰীয়াৰ্চনৰ মতে আদিতে কোচসকল আৰু ৰাজ্ঞোংবিলে সকে আছিল এই বিষয়ে সন্দেহ নাই। কোচ মেচ আৰু বৰো বা বড়োসকলা সকে জনজাতি ভুক্ত অসমৰা তেঁলোক সকে জনজাতিৰ ভিন ভিন নাম। তেঁ লোকৰ লিখিয়ে যে 'কোচ' নামটোৰে সিকোনো চীনত হিন্দুকৃত বড়োক বুজায়, সিসকলে পূৰ্বপুৰুষৰ ধৰ্ম আৰু বড়ো ভাষা ত্যাগ কৰি বাংলা বা অসমিয়া গ্ৰহণ কৰিছে। বাংপুৰ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ ৰাজবাংশীসকলা হিন্দুকৃত কোচ।[১১]

কোচ সম্পৰ্কত বিভিন্ন গৱেষক পণ্ডিতে দিয়া বখ্যা, মতামত, পুৰাণ পুথি, প্ৰমাণ চোকাত কোচ দেশ তথা জনজাতিৰ উল্লেখৰ পৰা পাই হয় যে 'কোচ' সকলে এটা পুৰণি জনগোষ্ঠী। বড়োসকলৰ দৰে তেঁলোকেও মঙ্গোলীয় জনগোষ্ঠীৰে এটা শাখা। খ্ৰীষ্ট জন্মৰ পূৰ্বতে তেঁলোকে ওৰব পূৰ্ব দিশৰি ভাৰতত প্ৰবেশ কৰি ৰাজ্য স্থাপন কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা অনুমান কৰিব পৰা যায় যে কোচ-ৰাজবাংশীসকল পূৰ্বতে সোণকলৰ পৰিয়ালৰ সদস্য আছিল। বৰ্তমান সমস্যা 'কোচৰাজবংশী' অসমত এটি বহুল প্ৰচাৰিত শব্দ। বুৰঞ্জীৰ পাত লুটিয়াই চালে দেখা যায় যে বিংশ শতিকাৰ ৩০ দশকৰ পাছলৈকে 'কোচ ৰাজবাংশী' বুলি কোনো শব্দ নাছিল।

ঐতিহাসিক পটভূমি :

পাল ৰাজবংশৰ পতনৰ পিছত কামৰূপ ৰাজ্য বেলেগ বেলেগ ঠাইত ভাগ হৈ পৰে। একেবাৰে পূৰ্বত ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰে চুতীয়া ৰাজ্য গঢ় লৈ উঠে। ব্ৰহ্মপুত্ৰৰ দক্ষিণে আহোম ৰাজ্য আৰু ইয়াৰ পশ্চিমফালে কছাৰী ৰাজ্যই প্ৰতিষ্ঠা লাভ কৰে। তাৰো পশ্চিমফালে আছিল বাৰভূঞা সামন্তসকলৰ ৰাজ্য আৰু তাৰ পশ্চিমত আছিল কমতা ৰাজ্য। কোচসকলৰ শাসনৰ আগতে কমতাত থকা শেষজন ৰজা আছিল নীলাম্বৰ। ১৪৯৮ চনত গৌৰৰ আলাউদ্দিন হুছেইন গ্ৰহে তেওঁক পৰাস্ত কৰি ৰাজ্য অধিকাৰ কৰে আৰু পুত্ৰ দানিয়েলক ইয়াৰ শাসনকৰ্তা পাতে কিছুদিন পিছতে হাৰুপ নাৰায়ণ নেতৃত্বত বাৰভূঞাসকলে দানিয়েলক যুদ্ধত পৰাস্ত কৰি বধ কৰে।

এনে সময়তে কোচ (মেচ) জনগোষ্ঠীৰ নেতা হাড়িয়া মণ্ডল আৰু তেওঁৰ পত্নী হীৰাৰ বিশু নামৰ এজন পুত্ৰ জন্ম হয়। বিশুৱে ডাঙৰ হৈ ভিন ভিন জনগোষ্ঠীবোৰক একত্ৰিত কৰি বাৰভূঞাসকলক পৰাস্ত কৰে আৰু সমগ্ৰ কমতা অঞ্চলৰ শাসনভাৰ লয়। তেওঁই বিশ্বসিংহ নাম গ্ৰহণ কৰে।

কোচ ৰাজবংশৰ আৰম্ভণি :

কোচ ৰাজবংশৰ প্ৰথম শাসক আছিল বিশ্বসিংহ। তেওঁ ১৫১৫ চনত কমতা ৰাজ্যৰ ৰাজপাটত উঠে। জে এন চৰকাৰৰ মতে বিশ্ব সিংহ এটা ক্ষমতা বান কোচ জনগোষ্ঠীৰ লোক আছিল। যি মেচ, গাৰো, খাৰু আৰু দ্ৰাবিড়িয়ানৰ লগত মিল থকা কিছুমান মঙ্গোলীয় গোষ্ঠীৰ সমষ্টি আছিল। বিশুৱে ক্ষমতা লাভ কৰাৰ লগে লগে ব্ৰাহ্মণ পণ্ডিত সকলে কোচ

ৰাজবংশক দৈৱিক শক্তিৰ অধিকাৰী বুলি প্ৰচাৰ কৰি তেওঁলোকক ক্ষত্ৰিয়ৰ মৰ্যাদা দিয়ে। ইয়াৰ পিছত লাহে লাহে কোচসকল হিন্দুলৈ ৰূপান্তৰিত হ'ল। বিশ্ব সিংহৰ পিতৃ হাৰিয়া মণ্ডলকে কোচসকলোৰ আদি পুৰুষ বুলি কোৱা হয়। তেওঁ পুৰণি গোৱালপাৰা জিলাৰ চিকনাবাৰী গাঁৱৰ বাৰটা সকলোতকৈ ক্ষমতাশালী সেই পৰিয়ালৰ মুখিয়াল আছিল। তেওঁ 'হাজো' নামৰ এজন কোচ নেতাৰ (তেওঁৰ পৰাই কোচ হাজো নাম হয়) জীয়েক জীৰা আৰু হীৰাক বিয়া কৰায়। হীৰাৰ গৰ্ভতে বিশ্ব সিংহৰ জন্ম হয়।

বিশ্ব সিংহই শক্তিশালী বাৰভূঞাসকলোৰ বিৰুদ্ধে জনগোষ্ঠীয় নেতাসকলোক সহায় খোজে। আৰু ১৫০৯ চনমানত তেওঁৰ অভিযান আৰম্ভ কৰে। তেওঁ ওত্তৰি, বনগাঁও, ফুলগুৰি, বিজনী, পাণ্ডু আদি ঠাইত ভূঞা-সকলোক পৰাস্ত কৰে। কৰ্ণপুৰৰ ভূঞাক হৰুৱাবলৈ তেওঁ কই কৰিবলগীয়া হয়। ইয়াৰ পিছত তেওঁ ১৫১৫ চনত পূৰ্বতে বৰনদী চন আৰু পশ্চিমে কৰতোৱা নৈক সীমা হিচাপে ধৰি নিজকে কমতাৰ ৰজা ঘোষণা কৰে। তেওঁ ৰাজধানী চিকনাৰ পৰা এতিয়াৰ কোচবিহাৰ নগৰ পৰা কেইমাইলমান দক্ষিণপূবে থকা কমতা পুৰলৈ (কান্তাপুৰ বুলিও কোৱা হয়) তুলি আনে।

বিশ্বসিংহৰ নৰনাৰায়ণে ৰজা হৈ আৰু শুক্লধ্বজে (চিলাৰায়) সেনাপতিৰূপে কোচ ৰাজ্যক উন্নতিৰ শিখৰলৈ লৈ যায়। নৰনাৰায়ণে চিলাৰাইৰ পুত্ৰ ৰঘুদেৱক ৰাজ্যৰ পূব অংশ কোচ হাজোৰ শাসক পাতে। নৰনাৰায়ণৰ মৃত্যুৰ পিছত ৰঘুদেৱে নিজকে স্বাধীন ৰজা ঘোষণা কৰে। ইয়াৰ পিছতে কমতা ৰাজ্যখন স্থায়ীভাৱে কোচ বিহাৰ আৰু কোচ হাজোত ভাগ হয়।

নৰনাৰায়ণ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সংস্পৰ্শলৈ আহিছিল। আৰু জীৱনৰ শেষৰ তিনিবছৰ তেওঁৰ সভাত গুৰুজনাক স্থান দিছিল। শংকৰদেৱে কোচ ৰাজ্যত এখন সত্ৰও স্থাপন কৰিছিল।

দ্বিতীয় অধ্যায়

কোচ রাজবংশী সকলের জাতীয় উৎসব বিষুবা সম্পর্কে আলোচনা

সমাজটিস্থ লোক হিসাবে কোচ রাজবংশী সকলে সামাজিক পরিপ্রেক্ষিতে ওপরত ভিত্তি করি বিভিন্ন উৎসব পার্বন পালন করি আহিছে যদিও জাতীয় উৎসব হিসাবে তিনিটা উৎসবেই মূল। সেই কেইটা হল —

১/ বিষুবা।
২/ কাতিয়াছা।
৩/ দোমাহী।

পবিত্রতা, আধ্যাত্মিক আরু ধর্মীয় আবাবর ভিত্তিত গঢ়লৈ উঠা এই তিনিটা উৎসব কোচ রাজবংশী সকালে নিজস্ব প্রকীয় নীতি-নিয়মর মাজেরে পালন করি আহিছে।

বিষুবা বা বেষমা :

বিষুবা হৈছে কোচ রাজবংশী জনগোষ্ঠীর পরম্পরা গত জাতীয় উৎসব। বছরেই কয় বজা বিশ্ব সিংহর দিনর পরা বুলি ভিত্তিক এই উৎসব পালন হৈ আহিছে। বুঢ়ুরী আরু কোকরাঝাঁর জিলার পশ্চিম ফালে বিষুবাক "বেষমা" বুলিও উদযাপন করে।

নিজৰ গৃহভূমিৰ ভৌগলিক চাৰিসীমাৰ ভিতৰত বসবাস কৰা মানুহৰ জীৱন ধাৰণৰ মনদণ্ড উন্নত কৰাৰ কাৰণে ঐতিহাসিক কালৰে পৰাই চ'ত মাহৰ সংক্ৰান্তিৰ দিনৰে পৰা ব'হাগ মাহৰ ছয় দিন পৰ্য্যন্ত কোচ ৰাজবংশী সকলৰ বিষুৱা বা সাততিথি উৎসৱ পালন কৰি আহিছে। তেওঁলোকৰ পূৰ্বপুৰুষ সকলে কোচ ভূমিত বসবাস কৰা দিনৰে পৰা এটা সুন্দৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ লগতে বহুতো ঐতিহাসিক পৰম্পৰাও ধৰি ৰাখিছে আৰু এই পৰম্পৰা বিলাকৰ ভিতৰত বিষুৱাও এটা।

বিষুৱা শব্দৰ উৎপত্তি সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মত দিয়া দেখা যায়। কিছুমান লেখকৰ মতে "বিষুৱা" নামটো আহিছে 'বিষ' শব্দৰ পৰা। এই উৎসৱ যিহেতু বসন্ত কালত হয় সেয়ে বসন্ত ঋতুৰ সৈতে বিষুৱাৰ ৰীতি-নীতি সমূহৰ নিবিড় সম্পৰ্ক আছে। এই ঋতুত প্ৰকৃতিয়ে ন-ৰূপ লয়। সূৰ্য্য বিষুব ৰেখাত অৱস্থান কৰে। সেয়ে ইয়াৰ উষ্ণতাও বৃদ্ধি পায়। বতাহ বৰষুণো আৰম্ভ হয়। তাৰ ফলত বতাহ দূষিত হয় আৰু মানুহবোৰেও বিভিন্ন ৰেমাৰ আদিত ভুগিব লগা হয়। চ'ত মাহৰ দূষিত বতাহক কোচ ৰাজবংশী সকলে "চৈতা বাও" লগা বুলি কয়। এই দূষিত বতাহক বিষ লগা বুলি বহুতেই ক'ব খোজে। আন বহুতৰ মতে "বিষুৱ" শব্দৰ পৰাই "বিষুৱা" শব্দৰ উৎপত্তি হৈছে।

চ'ত মাহৰ সংক্ৰান্তিৰ দিনৰে পৰা ব'হাগ মাহৰ ছয় দিনলৈ অৰ্থাৎ মুঠ সাত দিন ধৰি কোচ ৰাজবংশী সকলে এই উৎসৱ পালন কৰে বাবে ইয়াক "সাত বিষুৱা" বুলিও কয়। বিষিমা শব্দৰ পৰাও

বহুতেই "বিষুৱা" শব্দটোৰ উৎপত্তি হোৱা বুলি ক'ব খোজে। মূলত বিষ শব্দ (বিষ + উৱা) ৰ পৰাই বিষুৱা শব্দৰ উৎপত্তি হোৱা অ সেন অনুমান হয়।

কৃষিভিত্তিক বিষুৱা উৎসৱ কোচ ৰাজবংশী সকলে সাতদিন ধৰি একো একোটা নিৰ্দিষ্ট নামেৰে বিশেষ নীতি-নিয়মৰ মাজেৰে পালন কৰে। সেই সাতদিন ধৰি পালন কৰা "সাততিথি" ৰ নাম কেইটা হ'ল —

১/ গৰু বিষুৱা।
২/ মানসি বিষুৱা।
৩/ গুচি বিষুৱা।
৪/ সাতশাকী বিষুৱা।
৫/ বাহো বিষুৱা।
৬/ চিকাৰ বিষুৱা।
৭/ দেও বিষুৱা।

এই সাততিথিৰ বিষয়ে তলত উল্লেখ কৰিবলৈ যত্ন কৰা হ'ল —

১/ গৰু বিষুৱা :

চ'ত মাহৰ সংক্ৰান্তিৰ দিনটোক গৰু বিষুৱা বুলি কোৱা হয়।

এই দিনটোক কোচ ৰাজবংশী সকলে পবিত্ৰ দিন বুলি গণ্য কৰে। উক্ত দিনা তেওঁলোকে দোকমকালিতে ওৰাৰ পৰা হাঁহি বিষয়াত দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। মুখ হাত নেছিবুকে বাহিমূলে দীঘলিতি, ক্ষোমিয়াতি, ভেঁটনালি, কাম্বীৰ ফুল, ওদেৰ পাংশা, বিহ-কেঁকিয়া, কেঁৱাৰ কাঁটা, নাগা দেওনা, বেতৰ গাজোলি, মহানিম, অদলা, ৰ্ঘ হালধি, চিৰোতা তিতা, বাহক তিতা, গৰালৰ কাঁটা, নিচিন্দা, ভাং, মুক্তৰ ফুল, দোনৰ পাত (কানচিনা), বিহলঙনি আদি বিশ প্ৰকাৰৰ ঔষধি গছলতাৰ পাত ফুল একেলগে কৰি একোটাকে মুঠি বা খোপা তৈয়াৰ কৰে। এই মুঠি বা খোপা বিলাকেক "বিষয়া" বুলি কোৱা হয়। এই বিষয়াতক তেওঁলোকে ৰক্ষা কৰচ বুলি গণ্য কৰে। সেয়ে চ'ত মাহৰ সংক্ৰান্তিৰ দিনা অথাই নতুন বছৰৰ এই বিষয়াতৰ মুঠি বা খোপা বোৰ ঘৰৰ প্ৰবেশ দ্বাৰাত (দুৱাৰ মুখত), বাৰান্দাত, ভঁৰালত, ভাঁত শালত মুঠিত, গোহালি ঘৰৰ হালত গুজি দিয়া হয়। তেওঁলোকে বিশ্বাস কৰে যে এই বিষয়াত দিয়া বা আপকাপ বন্ধা প্ৰক্ৰিয়াটোৱে গোটেই বছৰটোৰ গৃহ-স্থক নানান অপায়-অমঙ্গলৰ পৰা ৰক্ষা কৰে। অবশ্যে-বিজ্ঞানভিত্তিক বিশ্লেষণটোৱে দেখা যে বিষয়াত মুঠিটোত দিয়া পাত ফুল সকলোবোৰে ঔষধি গুণসম্পন্ন। সেয়ে এই ঔষধি পাত ফুলবোৰ পৰা ওলোৱা ঘ্ৰাণ বতাহৰ লগত মিহলি হৈ-ঘৰৰ গোটেই পৰিবেশ বীজাণুমুক্ত কৰি বিশুদ্ধ কৰি তোলে।

মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল কোচ ৰাজবংশী সকলৰ

প্ৰতিটো উৎসৱেই কৃষিৰ ল্যাত নিবিড়ভাৱে সম্পৰ্কিত। যিহেতু কৃষিৰ প্ৰধান মূলধনেই হ'ল গৰু সেয়ে তেওঁলোকে গৰুক দেৱতাজ্ঞান কৰি পূজা-অৰ্চনা কৰাৰ ল্যাতে বিশেষভাৱে যত্নও লয়। সেৱে বিষুৱাৰ এই পৰ্বটোত গৰুৰ শিংকোৰ পৰিষ্কাৰ কৰিতাত সৰিয়হৰ তেল আৰু হালধি ঘঁহি গৰুক আদৰ যত্ন কৰে।

তাৰ পিছত ওচৰৰে নৈ, বিল, খাল-দঙত গা-ধুৱাবলৈ লৈ যায়। লৈ যাওঁতেও গৰুক আদৰ যত্নৰে দীঘলতিৰ ঠাৰিৰে কোৱাই কোৱাই লৈ যায়। এই দিনটোত এছাৰিৰে কোৱাব নাপায় বুলি লোক-বিশ্বাস আছে। সেয়ে গৰুক দীঘলতিৰ ঠাৰিৰে কোবোৱা হয়। দীঘলতিৰে কোৱাই লৈ যোৱাৰ সময়ত সকলোৱে তলৰ গীত-ফাঁকি গায় —

" দীঘলতিৰ দীঘল পাত-
মাখি মাৰো ঝাত ঝাত
লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাওয়েৰ সৰু বাপেৰ সৰু
তই হবি বৰ গৰু "

খাল, বিল, নৈত গৰুক আদৰ-যত্নৰে গা-ধুৱাই কাঁহৰ

বিশেষভাৱে চাঁচি উলিয়াই ৰচি আকাৰৰ "তেঁৱালেৰে" হালধি, বাৰমাহী বেঙেনা আৰু পানী লাউৰ চোকলেৰে গাঁথা মালা গৰুক সেৱা ভক্তিৰে পিন্ধাই পথাৰত মুকলি কৈ এৰি দিয়ে বা নতুন পথাৰে ঝান্ধি দিয়ে। গৰুক ডিঙিত আৰি দিয়া এই মালাধাৰিৰ বস্তুৱেই ঔষধি গুনসম্পন্ন। হালধি তেজ পৰিশোধক, বাৰমাহী বেঙেনা চৰ্মকীটনাশক আৰু পানী লাউৱে গৰুৰ দেহৰ শীতলতা বজাই ৰাখে। গৰুক এই গা-ধোৱা পৰম্পৰাক গ্ৰীয়াৰ্চন চাহাবে "গৰু চুপকুৱা" দোমাসী বুলি কৈ গৈছে। গৰুক গা ধোৱা পৰ্ব শেষ হোৱাৰ লগে লগে সকলোৱে লগত লৈ যোৱা চিৰা-মুৰি, দৈ, গাখীৰ, চেনী, ওৰ কল পাতত একেলগে মিহলাই ভগাই খাই আনন্দ স্ফূৰ্তি কৰে।

এই সংক্ৰান্তিৰ দিনাই কোচ ৰাজবংশী গৃহস্থই বাঁহৰ বিচনীবোৰ ধুই ৰ'দত শুকুৱাই ব্যৱহাৰৰ উপযোগী কৰি তোলে। সংক্ৰান্তিৰ দিনা বিচনীবোৰ নুধুলে বিচিব নাপায় বুলি কোচ ৰাজবংশী সকলে বিশ্বাস কৰে। বিচনীবোৰ নোধোৱাকৈ বিচিলে গাত "চতীয়া বাও" উঠে বুলি লোক বিশ্বাস আছে। এই দিনটোতেই গৰুক নতুন পথা দিয়ে, পুৰনি ঝাড়নী, গোহালিৰ গোবৰ পেলোৱা পাচী পেলাই দি নতুন ঝাড়নী, পাচি আদি লয়। ৰাতিপুৱাৰ বৈ যোৱা আপা-ঝাপ, বিহলঙনি, বিহ ঢেঁকীয়া, নৰসিংহ, মহানিম আদিৰ পাতবোৰ ৰ'দত শুকাব দিয়া হয়।

সন্ধিয়া গোহালিত গৰু বন্ধাৰ পিছত ধান খেৰেৰে সৈতে এই ৰৈ যোৱা আপ ঝাপবোৰ মিহলাই জ্বলাই বিচনীৰে বিচি দিয়ে। ঔষধি গুণসম্পন্ন এই গছলতিকাৰ ধোঁৱাই গৰুক জোক, মহ, ডাহ, মাখি আদিৰ পৰা ৰক্ষা কৰে।

এনে বিভিন্ন স্বকীয় নীতি-নিয়মৰ মাজেৰে কোচ ৰাজবংশী সকলে চ'ত মাহৰ সংক্ৰান্তিৰ দিনা গৰু বিষুৱা পালন কৰে।

2/ মানষি বিষুৱা ঃ

কোচ ৰাজবংশীসকলে বহ্যাৰ প্ৰথম দিনটোক মানষি বিষুৱা (মানুহ বিষুৱা) বুলি কয়। এই পৰ্বটোত পৰস্পৰে পৰস্পৰক গামোছা যাচি, সেৱা-ভক্তি, মৰম, আশীৰ্বাদ আদান প্ৰদান কৰে। সামৰ্থ অনুযায়ী সকলোৱে নতুন বস্ত্ৰ লয়। ওঝা কবিৰাজ সকলে এই দিনটোত নতুন সোনা (ঝলোঙা) লৈ পুৰনি সোনা পেলাই দিয়ে। কঁকালত পিন্ধা ঘুমচা বা শেকেডাল নতুনকৈ লয়। ডিঙিত নতুন গামোচালৈ সৰুই জঙৰক সেৱা কৰি আশীৰ্বাদ লয়। জঙৰে সৰুক মৰম আশীৰ্বাদ দি এক সুন্দৰ সামাজিক আত্মিক পৰিবেশ গঢ়ি তোলে। এই দিনটোতেই ৰাতিপুৱা সাত প্ৰকাৰৰ পাত-লতাৰ ৰস "সপ্তৰস" খালী পেটত পান কৰাটো নিয়ম। এই সপ্তৰসত থাকে কেচা হালধী, বেতৰ গজালি, পচতিয়া, চিৰোতা

তিতা, বাহক তিতা, আৰু মহানিমৰ পাতৰ ৰস পান কৰিলে গোটেই বছৰজুৰি বেমাৰ আজাৰৰ পৰা ৰক্ষা পৰে আৰু ৰোগমুক্ত নিৰোগী জীৱন যাপনৰ লগতে পোক-পৰুৱা আনকি সৰ্প দংশনৰ ভয় নাথাকে বুলি কোচ ৰাজবংশী সকলে বিশ্বাস কৰে। সন্ধিয়া চাকি-বন্তি, ধূপ-ধূনা জ্বলাই ঘৰৰ পৰিবেশ পবিত্ৰ কৰি তোলে আৰু সকলোৱে অনাবিল প্ৰশান্তি অনুভৱ কৰে।

৩/ ওষ্ঠি বিষুৱা :

বহাগৰ দ্বিতীয় দিনটো হ'ল ওষ্ঠি বিষুৱা। কোচ ৰাজবংশী সকলে আলহীক ওষ্ঠি বিষুৱা বুলি কয়। এই দিনটোত ওচৰ-চুবুৰীয়া, আত্মীয়-কুটুম্ব, আলহী অহা যোৱা কৰে। আৰু আদৰ অপ্যায়নৰ মাজেদি এক সামাজিক আত্মীয়টা গঢ়ি তোলে।

৪/ সাতশাকী বিষুৱা :

তৃতীয় দিনটোত কোচ ৰাজবংশী সকলে সাতশাকী বিষুৱা পালন কৰে। এই পৰ্বটোত গাঁওৰ মহিলা সকলে গীত-মাতেৰে আনন্দ স্ফূৰ্তিৰ মাজেৰে সমূহীয়া ভাবে ঝাৰ-জংগলৰ পৰা নানা প্ৰকাৰৰ শাক যেনে- খুটুৰা, বনৰীয়া কচু, মাটি ফেচুৱা

ঢেঁকীয়া, দ্বোন, মানিমুনি, পুত্তি আদি সংগ্ৰহ কৰি আনি আনন্দেৰে এসাজ খোৱাৰ নিয়ম। এই শাক সংগ্ৰহ কৰা বা তুলি অনা সময়ত তলৰ ফাঁকি গীত মহিলা সকলে আনন্দ-স্ফূৰ্তিৰে গায়-

"যেলা শাক তুলুং মাইৰে
সেলা কালা বাজায় বাঁশী
আৰে বাঁশীৰ সুৰে খসিয়া পৰেৰে
তবু কালা বাজায় বাঁশীৰে
শাক তুলিয়া আহোং মই
কালা মোক ভুলকিয়া চায়ৰে।

৬/ বাহো বিষুৱা :

চতুৰ্থ দিনটো হ'ল বাহো বিষুৱা। এই পৰ্বটোত কোচ ৰাজবংশী সকলে সমূহীয়া ভাৱে নৈ, বিল, খাল, দং, পুখুৰীত বাহো, জাল, পল, জাঁকে আদিৰে মাছ মাৰিবলৈ যায় আৰু যি মাছ পায় তাৰে সকলোৱে আনন্দৰে এসাজ খায়।

৬/ চিকাৰ বিষুৱা :

পঞ্চম দিনটো হ'ল চিকাৰ বিষুৱা। এই দিনটোত বা পৰ্বটোত

গাঁওৰ ডেকা-বুঢ়া সকলোৱে মিলি সমূহীয়াভাৱে ঝাৰ-জংগলত চিকাৰ কৰিবলৈ যায়। চিকাৰত পোৱা হৰিণা, পহু, বনকুকুৰা, শৰালি আদিৰ মাংসৰে সকলোৱে মিলি জুলি ত্ৰ্যাজ খায়।

৭/ দেও বিষুৱা:

বহাগৰ ষষ্ঠ দিনটোক দেও বিষুৱা বুলি কোৱা হয়। কোচ ৰাজবংশী সকলে দেৱতাক 'দেও' বুলি কয়। উক্ত দিনটোত দেও পূজা বা ঘৰৰ গৃহ দেৱতাক নাম-কীৰ্তন, ধৰ্মগ্ৰন্থ পাঠ কৰি প্ৰসাদ আগবঢ়ায় পূজা অৰ্চনা কৰে। গোটেই বছৰটো মংগলময় তথা সুখ-শান্তি হোৱাৰ বাবে দেৱ-দেৱীৰ ওচৰত সকলোৱে আশীৰ্বাদ বিচাৰে।

আদিম মানৱে সভ্যতাৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি বৰ্তমানৰ পৰ্যায় লাভ কৰিছে। মানৱ সমাজৰ ইতিহাসত ভঙা-গঢ়াৰ আৰু গঢ়ি গঢ়ি নতুনত্বৰ পথেৰে ঢাপে ঢাপে আগবাঢ়ি যোৱাৰ তাড়না চিৰন্তৰ। মানৱৰ অভিজ্ঞতালব্ধ জ্ঞানে জীৱন-জীৱিকা আৰু দৈনন্দিন বিভিন্ন কৰ্ম ৰাজিৰে প্ৰতিনিধিত্ব কৰা জাতি-গোষ্ঠীৰ সাংস্কৃতিক সকলকেই পদৰ্শন কৰি আহিছে। সামূহিকভাৱে যি চিন্তা বা কৰ্মক উৎযাপন কৰাৰ প্ৰয়াস

কৰা হয় সেয়াই সংস্কৃতিৰ বহল পথাৰখন সাৰুৱা কৰি তুলিছে।

অসমৰ বাৰেৰহনীয়া কৃষি-সংস্কৃতিৰ বাকৰিত অতীজৰে পৰা কোচ ৰাজবংশী সকলে অসমৰ বিভিন্ন স্থানত বিশেষকৈ অবিভক্ত গোৱালপাৰা জিলাত জাতীয় সংস্কৃতিৰে এটা উল্লেখযোগ্য জাতি হিচাপে সুকীয়া স্থান দখল কৰি আহিছে। কৃষিভিত্তিক জীৱন শৈলীৰ স'তে কোচ ৰাজবংশী লোকসকল ওতঃপ্ৰোত ভাৱে জড়িত হোৱাত মূল উৎসৱ অনুষ্ঠান সমূহো কৃষি কাৰ্যৰ লগতে সাঙোৰ খাই পৰিছে। অসমীয়া বাপতি সাহোনো তিনি প্ৰকাৰৰ বিহুটোৰ লেখীয়াকৈ কোচ ৰাজবংশী সমাজতো প্ৰধানভাৱে ব'হাগ, কাতি আৰু মাঘ মাহত কৃষিভিত্তিক বিভিন্ন আচাৰ অনুষ্ঠান পালন কৰা হয়।

নতুন বছৰৰ আগমন আৰু ন-পানীৰ পৰশেৰে পৃথিৱী জীপাল হৈ পৰাৰ সময় হোৱাতে খেতি খেলাৰ কাম-কাজ আগবঢ়ালৈ কোচ ৰাজবংশী সমাজত 'বিষুৱা' পালন কৰা হয়। শাৰীৰিক জড়তা ত্যাগ কৰি নতুন শক্তিৰে ন উদ্যমেৰে বছৰ জোৰা খাদ্য সম্ভাৰ আহৰণ কৰিবলৈ বিষুৱা হ'ল আৰম্ভণিৰ আনুষ্ঠানিকতা।

কোচ ৰাজবংশী সকলোৰ এনে স্বকীয় নীতি-নিয়মৰ-মাজেৰে কোচ ৰাজবংশী সকলে উলই-মালহেৰে 'বিষুবা' বা 'সাততিথি' উৎসৱ পালন কৰে।

তৃতীয় অধ্যায়

কোচ ৰাজবংশী সকলৰ লোক-সংস্কৃতি

বৃহত্তৰ অসমৰ বৰ্ণিল লোক-সংস্কৃতিত বিভিন্ন জাতি জনগোষ্ঠীয়ে বিৰাজকৰা অতি প্ৰাচীন জনগোষ্ঠী সকলোৰ অন্যতম জনগোষ্ঠী হ'ল কোচ-ৰাজবংশী সকল। অসমৰ সাহিত্য সংস্কৃতিৰ ইতিহাসত ৰাজ দৰবাৰৰ পৰা গ্ৰাম্য জীৱনলৈ বিভিন্ন পৰিক্ৰমাত কোচ-ৰাজবংশী সকলৰ পৰশ বিৰাজমান। তেওঁলোক প্ৰধানত: শৈৱ আৰু শাক্ত পন্থাৰ অনুগামী আছিল। অৱশ্যে তেওঁলোকে প্ৰাচীন কালৰে পৰা দেৱ-দেৱীৰ পূজা-পাতল কৰিছিল। এই দেৱ-দেৱীৰ ভিতৰত মা মনসা বা পদ্মা বা বিষহৰি পূজা কৰাটো তেওঁলোকৰ অন্যতম ধৰ্মীয় ৰীতি। এই পূজাৰ ঝাৰে গোটা মাৰাই, লাখল মাৰাই, ধূম কীৰ্তন আদি কৰা হ'য়। এই পূজাত নৃত্য-গীত আদিও কৰা হ'য় যাক পদ্ম পুৰাণ গাওন (গান) বোলা হ'য়। এনেধৰণৰ আন কেইটামান অনুষ্ঠান হ'ল - মুখ জোৰানী গাওন, জাগেৰ গাওন, ৰাশী পুৰান, কুশান গাওন, খাৰাতাল, নামতি গাওন, কাতিকা পূজা, পাতি নাম, ধূপালি নাম, মাটি গাওন আদি। এই চহকী লোকাচাৰ সমূহে মহাপুৰুষ শংকৰদেৱ - মাধৱদেৱক অংকীয়া নাটৰ সমল যোগাই ছিল।

কোচ-ৰাজবংশীসকলৰ লোক উৎসৱসমূহৰ ভিতৰত বাঁশ-পূজা এক অন্যতম উৎসৱ। এই পূজা পূৰ্ণাঙ্গ ৰূপত পাতিবলৈ হ'লে

১০৮ জল বাঁহ লাগে। প্ৰত্যেকজল বাঁহ দেৱ দেৱীৰ নামত সজোৱা হয়। পূজাত বাঁহ লাগে। প্ৰত্যেকজল বাঁহ দেৱ দেৱীৰ নামত সজোৱা হয়। পূজাত দেওধা থাকে ইয়াৰ ওপৰিও কাৰ্ত্তিক পূজা বা হুদুম পূজা এক-মাত্ৰ মহিলা সকলেহে পালন কৰে। সাধাৰণতে কোচ-ৰাজবংশী জন-গোষ্ঠী সকলোৰ মাজত দেৱতাৰ পূজাতকৈ দেৱীৰ পূজা বেছিকৈ দেখা পোৱা যায়।

কোচ-ৰাজবংশী সকলে কৃষিকৰ্মৰ সৈতে জড়িত এক উৎসৱো পালন কৰে। কাতি মাহত ধানৰ পথাৰত গছা জ্বলাই পালন কৰে বাবে ইয়াক 'কাতি গাছা' বুলি কোৱা হয়। কাতিগাছাত ওঁ টেঙাৰ খোলত বন্তি জ্বলোৱা আৰু তুলসী তলত নকৈ কাটি অনা বাঢ়নীক দেৱী মানি পূজা দিয়াৰ নিয়ম আছে।

কোচ ৰাজবংশী সকলে ভাদ মাহৰ পূৰ্ণিমাত "ইট্ৰাকি" পালন কৰে। চন্দ্ৰই পাপ কৰাৰ কাৰণে গাত চন্দ্ৰকলংক আছে আৰু তাৰ পোহৰ মানুহৰ গাত পৰিলে তেওঁলোকো কলংকিত হোৱা বুলি ভাবি ইট্ৰাকি পালন কৰে। তেওঁলোকে এই ইট্ৰাকিত নিশি জাগৰণ কৰে বেলেগৰ ঘৰত "ময়নাৰ" ফল দলিয়াই যাতে পাপ মোচন হয়।

'অৰিমাগা' কোচ-ৰাজবংশী সকলোৰ আন এক উৎসৱ। আঘোন মাহৰ পূৰ্ণিমাত তেওঁলোকে অৰিমাগা পাতে। ঠাণ্ডা দিনত জুই পুওঁৱা অভ্যাসটো নাশ কৰিবৰ বাবে গাওঁৰ মানুহে লগ হৈ ঘৰে ঘৰে ভিক্ষা খোজে।

অৰিমাগাত বিভিন্ন ধৰণৰ গীত নৃত্য কৰে। গছ পাত বা শুকান কলপাত ৰান্ধি ভালুক সাজি "অৰি অৰি মোহ ছোঁ, মোহ মাৰিবা মাংখে" আদি গীত অৰিমাগাত গোৱা হয়।

কোচ ৰাজবংশীসকলে দোমাসী বা পুষনা নামেৰে মাঘ মাহৰ দোমাসীও পালন কৰে। মাঘৰ দোমাসী তিনিদিনিয়াকৈ পালন কৰা হয়। দোমাসীৰ আগদিনা ঘৰবেৰা বা ওৱা পান বান্দ পৰ্ব তাৰ পাছত যথাক্ৰমে প্ৰথম দিনা গৰু দোমাসী, দ্বিতীয়দিনা মানুহ দোমাসী, তৃতীয় দিনা চৰাই-চিৰিকতিৰ দোমাসী। মাঘৰ দোমাসীত তেওঁলোকে ভেলাঘৰ জ্বলায়। ফাগুন মাহত ফাকুৱাৰ সময়ত কোচ ৰাজবংশী সকলে "ধুলয় যাত্ৰা" পালন কৰে।

কোচ ৰাজবংশী সকলে বছৰৰ প্ৰথম মাহত "বিষুৱা" উৎসৱ বা সাততিথি পালন কৰে। এই উৎসৱত অসমীয়াৰ ব'হাগ বিহুৰ দৰে কিছুমান নিয়ম পালন কৰা দেখা যায়। তাৰ ভিতৰত প্ৰথম ব'হাগৰ পৰা সাত ব'হাগলৈ সপ্তৰস পালন কৰাটো বিশেষ বিধি স্বৰূপ।

কোচ-ৰাজবংশী সকলোৰ সংস্কৃতিৰ এক অন্যতম দিশ হ'ল বিবাহ অনুষ্ঠান। পৰম্পৰাগতভাৱে তেওঁলোকে বিয়াত দৰা আৰু টুকইনাৰ বাবে বস্ত্ৰ আৰু গহনা গাঁথৰি তৈয়াৰ কৰি লয়। বিয়াত দৰাই ১০ হাত দীঘল আৰু ১০ ইন্সি বহল পাগুৰী পৰিধান কৰিব লাগে। কইনাৰ ডিঙিত হাসা, পেওচি, চন্দ্ৰহাৰ, বেচহাৰ, আঙ্গুলিত চিৰি আংঠি আদি পিন্ধিব লাগে

কোচ ৰাজবংশী সকলোৰ লোক সাহিত্যৰ ভঁৰাল চহকী। আধ্যাত্মিকমূলক, প্ৰেম-প্ৰীতিমূলক, আখ্যানমূলক, পূজা পাতল আদি প্ৰায় কুৰিৰো অধিক প্ৰকাৰৰ লোকগীত এই জনগোষ্ঠীৰ এক অলিখিত ইতিহাস হৈ আছে। চৰ্যাগীতৰ ভাষা আৰু ৰাগৰ নিদৰ্শন কোচ ৰাজবংশী গীত মতত পোৱা যায়। বিষহৰি, কাতিকা পূজা, শীতলা পূজা আদি কৃষ্টিৰে যিদৰে জনপ্ৰিয়তা লাভ কৰিছে সেইদৰে কুশান নৃত্য, গোৱালিনী নৃত্য, হাতী মেডিতৰ গীত, মৈশাল গীত নামেৰে জনাজাত ভাওয়াইয়া - টকা আদিও অসমীয়া সমাজে আদৰি লোৱাটো আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰদৰ্শনৰ সুবিধা লাভ কৰাটোৱে কোচ ৰাজবংশীৰ ঐতিহ্যকে আকৌ এৱাৰ প্ৰতিপন্ন কৰিছে। প্ৰাক্-শংকৰী যুগৰ সাহিত্য সমূহত প্ৰতিফলিত লোকজীৱনৰ চানেকি কোচ ৰাজবংশী সকলোৰ লোক জীৱনটো বিদ্যমান।

কোচ ৰাজবংশী সকলোৰ সাজপাৰ আৰু অলংকাৰ:

কোচ ৰাজবংশীসকলৰ সংস্কৃতিৰ পৰিচায়ক তথা জাতীয় জীৱনৰ মেনেকি দাঙি ধৰা এই সাজপাৰ হল 'পাটানী'। ৰাষ্ট্ৰীয় তথা আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন অঞ্চলত সিচৰিত থৈ থকা বাবে এই জনগোষ্ঠীটোৰ সাজপাৰৰ ক্ষেত্ৰত ভিন্নতা পৰিলক্ষিত হয়। অৱশ্যে অঞ্চল ভেদ সাজপাৰৰ ভিন্নতা আছে যদিও ইয়াৰ বৈশিষ্ট্য কিন্তু একেই।

ভাৰতীয় দৃষ্টিভংগী মতে, সংস্কাৰৰ যোগেদিয়েই সংস্কৃতিৰ বিকাশ হৈছে। মানৱ সমাজে সভ্যতাৰ দিনত খোজ পেলোৱা দিনৰে পৰাই মানুহৰ মাজত সংস্কাৰ সাধন হৈ আহিছে। ইতিহাসে চুকি নোপোৱাৰ দিনৰেই পৰাই মানুহৰ মাজত উদ্ভৱ হোৱা যি ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, কলা-কৃষ্টি আদিৰ প্ৰচলন হৈ আহিছে, সামগ্ৰিক অৰ্থত সেয়াই সংস্কৃতি। ভাৰতবৰ্ষৰ প্ৰতিটো জনগোষ্ঠীৰ মাজত এই সংস্কৃতি বিৰাজ মান আৰু ই স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ। ইয়াৰে ভিতৰত এটা অন্যতম এটা প্ৰাচীন জনগোষ্ঠী হল কোচ ৰাজবংশীসকল। বিভিন্নজন পণ্ডিতে মত পোষণ কৰা অনুযায়ী এওঁলোক মংগোলীয় প্ৰজাতিৰ লোক।

উত্তৰবংগত পাটানীক 'ফোটা বুলিও কোৱা হয়। আনহাতে, অসম আৰু নেপালত পাটানী বুলি কোৱা হয় যদিও পিন্ধনত কিছু ভিন্নতা দেখা যায়। পাটানী দুই ভাগত ভাগ কৰি অৰ্থাৎ পাঁচ পাঁচ (ভাঁজ) কৰি পিন্ধা হয় বাবেই ইয়াক পাটানী বুলি কোৱা হয়। পাটানীখন হল দুই মূৰ লগা লগাই চিলাই নকৰা এখন বহল কাপোৰ। ই প্ৰায় পাঁচ-ছয় হাতমান দীঘল আৰু দুই তিনি হাতমান বহল হয়। সাধাৰণতে পাটানীখন বুকুত যেখনি মাৰি পিন্ধা হয়। বুকুৰ উপৰৰ অংশ ঢাকিবলৈ আন এখন কাপোৰ ব্যৱহাৰ কৰা হয়। এই খনক 'আগৰণ' বুলি কোৱা হয়।

ইয়াৰ জোৰি মহিলাসকলে জেষ্ঠজনক সম্মান জনাবলৈ মুৰত শালখীয়া ৰঙৰ গামোচা মাৰে, ইয়াক 'গেপৰ' বুলি কোৱা হয়। অতীজৰ পৰাই বোৱা কাপোৰ পাচোন কোচ ৰাজবংশী মহিলা শিলাদীয়ে নিজ হাতেৰেই বোৱা পাচোনী আৰু ব্যবহাৰিক জীৱনত প্ৰয়োজনীয় কাপোৰবোৰ পৰিধান হৈ আহিছে। বৰ্তমান সময়তো এই পৰম্পৰা অব্যাহত ৰাখিছে কোচ ৰাজবংশী মহিলা সমাজে। অসমীয়া, ধনী, চেলা, চেলাকুৰা, বুলুকচেলা, মালিদে, উৰেমুগি, চিকনপাৰি আদি কৰি পাচোনীক গোন্ধৰটো ভাগত বিভক্ত কৰিব পাৰি। ইয়াৰ ভিতৰত অসমীয়া পাচোনিৰ প্ৰচলন বেছি হোৱা দেখা যায়। ইয়াৰ জোৰি কোচ ৰাজবংশী বিবাহ অনুষ্ঠানত কইনাক পিন্ধাবৰ বাবে পাঞ্চৰঙী পাচোনীৰ ব্যবহাৰ কৰা হয়। পাঞ্চৰঙী পাচোনিত ক্ৰমে গোটিয়া, নীলা, ৰঙা, বোঁৰা আৰু আকাশী ৰঙৰ পাৰি থাকে।

আ-অলাংকাৰে হৈছে এটা জাতি জনগোষ্ঠীৰ সভ্যতা-সাংস্কৃতিৰ এক নিদৰ্শন। আ-অলাংকাৰ হল জাতি-জনগোষ্ঠী হিচাপে শ্লীলতা, আৰ্থিক অৱস্থা, যৌনসংবেদনশীলতা, শিল্পীমন, সুকুমাৰ প্ৰতিভাৰ বিকাশ পৰিচায়ক। কোচ ৰাজবংশী মহিলা সকলোৰ সাজতো বিভিন্ন ধৰণৰ আকৰ্ষণীয় আ-অলাংকাৰ প্ৰচলন হৈ আহিছে। এই অলাংকাৰ-সমূহ সোণ আৰু ৰূপেৰে তৈয়াৰ কৰা হয়। কোচ ৰাজবংশী মহিলাসকলে ব্যবহাৰ কৰা অলাংকাৰ সমূহৰ ভিতৰত চন্দ্ৰহাৰ, সুমাহাৰ, সিকিহাৰ, হাঁহা-হাঁহুলি আদি ডিজাইনৰ পিন্ধা অলাংকাৰ। সেইদৰে গোটমোৰ, মুটিমোৰ, বৰ্ডাতি, ৰচনচুৰ, বাজু আদি হাতত পিন্ধা অলাংকাৰ; কাণহাতে চৌংমোৰ, নাৰংমোৰ, পালিচমোৰ আদি ডবিত পিন্ধা অলাংকাৰ হয়। ইয়াৰ জোৰি কাণত মাকিৰি, কাণপাশা, মুলবাৰি, ঝুমকা, নাকত নথ, বালি, নাকফুলি আদি গহনা পিন্ধে।

এইদৰে পূৰ্বৰে পৰা কোচ ৰাজবংশী মহিলা সমাজৰ এই অলংকাৰ সমূহে আকৰ্ষণীয় আৰু স্বকীয় পৰম্পৰা ৰক্ষা কৰি আহিছে।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে কোচ ৰাজবংশী সকলৰ সাজপাৰ আৰু আ-অলংকাৰ কোচৰাজবংশী সমাজত পৰিপূৰ্ণতা লাভ কৰিছে।

কোচ ৰাজবংশী সকলৰ ভাষা আৰু সংস্কৃতিৰ চমু আভাস :

কোচ ৰাজবংশী সকলৰ মাতৃভাষা ৰাজবংশী ভাষাৰ নিজস্ব শব্দ সম্ভাৰ, সৰ্বনাম, নিজস্ব ক্ৰিয়াৰূপ, শব্দৰূপ, মৌখিক আৰু লিখিত সাহিত্য, উচ্চাৰণ ভংগী, নিজস্ব বাক্য গঠন পদ্ধতি আদি আছে। সেয়ে এই ভাষা অনান্যা আধুনিক ভাৰতীয় আৰ্য ভাষা সমূহৰ পৰা পৃথক আৰু স্বতন্ত্ৰ বৈশিষ্ট্য সম্পন্ন এটি ভাষা।

কোচ ৰাজবংশী সকলৰ সুপ্ৰাচীন এটি ভিন্নধৰ্মী উজ্বল চমকপ্ৰদ সংস্কৃতি পাওঁ। ভাৰতবৰ্ষত আৰ্য সকলে সৃষ্টি কৰা বৰ্ণ ভিত্তিক সমাজ ব্যৱস্থাৰ পৰা কোচ ৰাজবংশী সকল সম্পূৰ্ণ

পৃথক। সময়ৰ সোঁতত তেওঁলোকে এই ব্যৱস্থাৰ আওতালৈ আহিলেও আক্ষত্ৰিয় হিন্দুসকলৰ সংস্কৃতিৰ লগত এওঁলোকৰ কোনো মিল নাই। বৰ্ণ হিন্দুৰ আচাৰ-নীতি গ্ৰহণ কৰিলেও কোচ-ৰাজবংশী সকলৰ নিজস্ব আচাৰ-সংস্কাৰ, পূজা-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান, আদ্য-সম্ভাৰ, পোছাক-পৰিদ, আ-অলংকাৰ, গীত-মাত আদি বিদ্যমান। এই সকলোবোৰ স্বকীয় মহিলাৰে সমুজ্জ্বল।

কোচ ৰাজবংশী সকলৰ জন্ম-মৃত্যু, বিয়াৰ নিজস্ব আচাৰ নীতি, মৰাৰ পিছত আত্মাৰ অস্তিত্বৰ বিশ্বাস, মৃতকৰ প্ৰতি শ্ৰদ্ধা, নানা ঐন্দ্ৰজালিক ক্ৰিয়া, তন্ত্ৰ মন্ত্ৰাদি বিশ্বাস, প্ৰকৃতিৰ সৃষ্টি কৰোঁতাক মাতৃ হিচাপে পূজা, বাঁচ গছক পূজা, জীৱ-জন্তুৰ পূজা, মানুহৰ ৰোগ ব্যাধি আৰু বেয়া ঘটনাবোৰ অপশক্তি বা ভূত-প্ৰেতৰ দ্বাৰাই ঘটে বুলি বিশ্বাস। নানা ধৰণৰ বাধা নিষেধ বা অনুশাসন, খোৱা, বেষমা বা বিষুৱা, পুষুনা, কাতিকাছা, হোলি, চড়ক পূজা, গাজন, মনসা, বিষহৰি, শীতলা, মাসান, কালী আদি পূজাবোৰত অৰ্থ হিন্দু বা জনজাতীয় বৈশিষ্ট্য বিদ্যমান। ৰাজহুৱা কামত চাউল, কল, কলৰ গছ, নাৰিকল, তামোল-পান, পিঠাগুৰি আদিৰ ব্যৱহাৰ লক্ষণীয়। ধৰ্ম পালনৰ বেলিকা বৰ্ণ হিন্দুৰ দেৱ-

দেৱীক পূজা অৰ্চনা, ভক্তি শ্ৰদ্ধা কৰাৰ লগতে তেওঁলোকৰ নিজস্ব বিধিৰে, বুঢ়াবুঢ়ী, তিস্তাবুঢ়া, হুদুম পূজা, গ্ৰাম পূজা, ধাম পূজা, মাশান, যখা, সোনাৰায় আদি পূজা কৰে। ধৰ্মীয় সংস্কাৰৰ ভিতৰত আমতি, যাত্ৰা পূজা, চড়ক পূজা, সত্য নাৰায়ন, ত্ৰিনাথ পূজা আদি আছে।

খাদ্য-সম্ভাৰৰ ভিতৰত - তেওঁলোকৰ ছেকা, পেক্কা, ভেল্কা, সিদল, সুকা, টোপলাভাত স্বকীয় বৈশিষ্ট্য সম্পন্ন। গীত-মাতৰ ভিতৰত কোচ ৰাজবংশী সকলোৰ ভাওয়াইয়া গান, বিভিন্ন পূজাৰ গান, বান গান, কুশান গান, দোতোৰা গান, বিষহৰি পূজাৰ গান, মাৰৈ পূজাৰ গান, তুকখা গান, লাহাংকাৰী গান, নটুয়া, শাঙী ঢাকাৰ গান, ডাকনাম, জাগ গান আদি স্বতন্ত্ৰ বৈশিষ্ট্য সম্পন্ন। এই-দৰে সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে এওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ক্ষেত্ৰত নিজস্ব সংস্কৃতিৰ লগতে বৌদ্ধ, শৈৱ, শাক্ত, প্ৰভাৱৰ উপৰি বৰ্ণ-হিন্দুৰ প্ৰতি আকৃষ্ট হোৱাৰ ফলত পৌৰাণিক প্ৰভাৱ, শঙ্কৰী বৈষ্ণৱ আৰু গৌড়ীয় প্ৰভাৱো পৰিছে। তথাপি এওঁলোকৰ সংস্কৃতিত প্ৰাচীন জনজাতীয় বৈশিষ্ট্য উজ্জ্বল ভাৱে জিলিকি থকা দেখা যায়।

গৰু বিলুৱাৰ দিনা নদীত গৰুক গা-ধুৱৱাৰ চিত্ৰ

গৰু বিলুৱ দিনা গৰুক পিন্ধাবলৈ নতুন পশা, (সৰিয়হ, তেল, লাও, বেঙেনা, হালধী) আদিৰ চিত্ৰ

গৰু বিষুৱাৰ দিন গৰুক সৰিয়হৰ তেল, হালধী দিয়া চিত্ৰ।

সাতশাকী বিষুবাৰ দিনা খোৱা ভিন্ন প্ৰকাৰৰ শাকৰ চিত্ৰ

উপসংহাৰ

মই স্নাতক মহলাৰ ষষ্ঠ ষান্মাষিকৰ ছাত্ৰী হিচাপে এইটো-বেই ক'ব বিচাৰো যে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ অৱস্থিত আমাৰ ৰাজ্য অসম ভূমি বিভিন্ন জনজাতিৰ মিলন ভূমি। জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে আমাৰ কেৱল এটাই উদ্দেশ্য মূল শান্তিৰে জীৱন যাপন কৰা।

মোৰ এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনৰ মূল বিষয় আছিল; কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত বিষুৱা উৎসৱ। গতিকে মই এই বিষয়টো অধ্যয়ন কৰি এটাই কথা বুজিব পাৰিলো যে মহাবীৰ চিলাৰায় বংশ ধৰ বুলি পৰিচয় প্ৰদানেৰে গৌৰৱ কৰা কোচ ৰাজবংশীসকল নিজস্ব পৰম্পৰাগত নীতি নিয়মৰ মাজেৰে উৎসৱ সমূহ পালন কৰি আহিছে। যেনে- বিষুৱা উৎসৱ, কাতি-গাছা, দোমাসী আদি নীতি নিয়মেৰে পালন কৰি আহিছে। কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত বিষুৱা উৎসৱ সম্পৰ্কে অধ্যয়নৰ আৱশ্যকতা আছে। অসমৰ বাৰেবৰনীয়া কৃষ্টি-সংস্কৃতিৰ বাকৰিত অতিজৰে পৰা কোচ ৰাজবংশী সকলে অসমৰ বিভিন্ন স্থানত বিশেষকৈ অবিভক্ত গোৱালপাৰা জিলাত জাতীয় সংস্কৃতিৰে এটা উল্লেখযোগ্য

জাতিহিচাপে চুকীয়া জুন দখল কৰি আহিছে। কৃষিভিত্তিক জীৱন শৈলীৰ সৈতে কোচ ৰাজবংশী লোক সকল ওতঃপ্ৰোতভাৱে জড়িত হোৱাত মূল উৎসৱ অনুষ্ঠান সমূহো কৃষিকাৰ্য্যৰ লগতে সাঙোৰ খাই পৰিছে। মই এই জোনোগোষ্ঠীৰ ওপৰত অধ্যয়ন কৰি বহুতো নজনা কথা শিকিব পাৰিলো।

অবশেষত মই এই বিষয়ৰ অধ্যয়ন কৰি ইয়াকেই ক'ব বিচাৰিছো যে নবপ্ৰজন্মই জাতে কোচ ৰাজবংশী জাতিৰ সম্পৰ্কে বা উৎসৱৰ বিষয়ে অৱগত হৈ এই জাতিৰ উৎসৱ নীতি নিয়মৰ প্ৰাজেৰে পৰম্পৰাগত ভাবে বিদিন বজাই ৰাখে, তাৰে কামনা কৰিলোঁ।

গ্ৰন্থপঞ্জী

১/ আগলতি : স্মৃতি গ্ৰন্থ, অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম্ দুধনৈ অধিবেশন, সম্পাদকদ্বয় - জ্ঞানশংকৰ খাংলাৰী আৰু অনিল দাস।

২/ ভকত, দ্বিজেন্দ্ৰনাথ : অসমৰ কোচ ৰাজবংশী জনজাতি, গোলোকগঞ্জ, ২০০৮

৩/ ৰায়, জ্যোতিময় : ৰাজবংশী সমাজ দৰ্শন, কলকাতা, ২০১২

৪/ বৰদলৈ, নিৰ্মল প্ৰভা : অসমৰ লোক সংস্কৃতি।

৫/ ড° উপেন্দ্ৰ ৰভা হাকাচাম আৰু ড° প্ৰফুল্ল কুমাৰ নাথ : অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ।

৬/ প্ৰবন্ধ, ড° নবীন চন্দ্ৰ শৰ্মা, Dept of Folklore Research, G.U

৭/ মহেন্দ্ৰ পাদুন : অসমীয়া সংস্কৃতিলৈ জনজাতিয় বৰঙণি, (১৯৮৮)

৮/ শৰ্মা, নবীন চন্দ্ৰ : অসমীয়া লোক সংস্কৃতিৰ আভাস, বানী প্ৰকাশ প্ৰাইজ লিমিটেড, ওৱাহাটী-৭৮১০০১ পঞ্চম প্ৰকাশ, ২০১১